# প্ৰেছ বাৰ্তা

**গুৱাহাটী, ২ জানুৱাৰী :** "গাঁওৰক্ষী বাহিনীৰ দক্ষতা বৃদ্ধিৰ বাবে অসম আৰক্ষীয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশক্ৰমে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বাহিনীটোৰ আধুনিকীকৰণৰ উপৰিও প্ৰতিটো গাঁওৰক্ষী বাহিনীতে মহিলাকো অন্তৰ্ভুক্ত কৰা হ'ব আৰু বৰ্তমান সমাজ-জীৱনলৈ অহা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ বাহিনীটোক সু-সংগঠিত কৰি অধিক শক্তিশালী ৰূপত গঢ়ি তোলা হ'ব।" আৰক্ষী সঞ্চালকপ্ৰধান মুকেশ সাহায়ে আজি গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ এক প্ৰশিক্ষণ কাৰ্য্যসূচী শুভাৰম্ভ কৰি মন্তব্য কৰে। আজিৰ পৰা ১২ জানুৱাৰীলৈ উত্তৰ গুৱাহাটীস্থিত অগ্নি আৰু আপদকালীন সেৱাৰ আঞ্চলিক প্ৰশিক্ষণ কেন্দ্ৰত আয়োজিত এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰি দিয়া ভাষণত সঞ্চালকপ্ৰধান সাহায়ে কয় যে গাঁওৰক্ষী বাহিনীয়ে গ্ৰামাঞ্চলৰ "জাগ্ৰত প্ৰহৰী" হিচাপে আৰক্ষীৰ লগত সক্ৰিয় সহযোগিতাৰে অ-সামাজিক শক্তিসমূহৰ বিৰুদ্ধে যুঁজ দি অহাৰ উপৰিও বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, আপদ-বিপদ আদিত গাঁওবাসীৰ প্ৰতি সহায়ৰ হাত আগবঢ়াই আহিছে। অন্ধবিশ্বাস, নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন, ডাইনী হত্যা, মানৱ সৰবৰাহ, অপৰাধমূলক কাৰ্য্যকলাপ আদি প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰি সঞ্চালকপ্ৰধানগৰাকীয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ৰাজ্যখনৰ অপঞ্জীয়নভুক্ত ৬১০৬ টা গাঁওৰক্ষী বাহিনীক পঞ্জীয়নভুক্ত কৰাৰ প্ৰক্ৰিয়া চলি থকা বুলিও প্ৰকাশ কৰে।

অনুষ্ঠানত বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান ড° এ কে বাউট (অগ্নি আৰু আপদকালনী সেৱা) আৰু আৰক্ষী মহাপৰিদৰ্শক প্ৰদীপ চন্দ্ৰ শলৈয়েও ভাষণ দিয়ে। উল্লেখযোগ্য যে প্ৰায় ৭০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰিছে আৰু পৰ্য্যায়ক্ৰমে বাহিনীটোৰ অন্যান্য সদস্যসকলকো এনেধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰশিক্ষণ কাৰ্য্যসূচীত সদস্যসকলক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'বলগা ব্যৱস্থাৱলী, ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা আদি বিষয়সমূহৰ লগতে অসম গাঁওৰক্ষী সংগঠন আইন-১৯৬৬ আৰু ইয়াৰ আনুষংগিক আইন সম্পৰ্কেও প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

**চি পি আৰ অ'**
**অসম আৰক্ষী**